ভাষা সাহিত্য-সংস্কৃতি এই আটাইকেইটা দিশ নতুন ৰূপত ৰূপায়িত কৰিলে। এই অধ্যায়টিত অসমীয়া সাহিত্য-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদান সম্পর্কে বহলাই আলোচনাত প্রবৃত হম।

১.৩ অসমীয়া সাহিত্য-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদান আৰু প্রাসংগিকতা

মহাপুৰুষ শংকৰদেৱে তেওঁৰ সাহিত্যৰাজিৰ মাজতে আত্ম-পৰিচয় ছেগা-চেৰোগাকৈ দি গৈছে। এই বিষয়ে ইতিমধ্যে 'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ৰ লগতে বিভিন্ন যাণ্মাসিকৰ আন কেইবাটাও অধ্যায়ত আপুনি বহলভাৱে অধ্যয়ন কৰি আহিছে। সেয়ে ইয়াত আমি সেই বিষয়ে বহলাই আলোচনা কৰাৰ পৰা বিৰত থাকিলোঁ। সেই অধ্যায় কেইটা আপুনি এই পাঠ্যবিষয়ৰ বাবেও অধ্যয়ন কৰিব।

মন কৰিব যে, পঞ্চদশ শতিকাত জন্ম লোৱা এগৰাকী ব্যক্তি আজি একবিংশ শতিকাতো অসমীয়া জাতিসত্তাৰ মাজত কিমান ব্যাপকভাৱে চর্চিত, বন্দিত! আনকি, অসমীয়া মানুহৰ দৈনন্দিন জীৱন প্রবাহ, সাংস্কৃতিক পৰিচয় আৰু আনুষ্ঠানিক প্রকার্যৰ মাজত সর্বাত্মকভাৱে শংকৰদেৱৰ উপস্থিতি বা প্রভাৱ আপুনি মন কৰিলেই উপলব্ধি কৰিব পাৰিব। ইয়াৰ কাৰণ হ'ল— অসমীয়া সাহিত্য-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদান এক মাত্রিক নহয়; ই বহুতৰপীয়া, বহুমাত্রিক — সবাতোকৈ গুৰুত্বপূর্ণ কথাটো হ'ল অসমীয়া জাতিসত্তা নির্মাণ প্রক্রিয়া তথা স্বকীয় পৰিচয় নির্মাণত শংকৰদেৱৰ অৱদানবোৰৰ ঐতিহাসিক গুৰুত্ব আৰু মহত্ত্ব।

সাহিত্যই যি দৰে ভাষাক আধাৰ কৰে, সংস্কৃতিৰ অৱস্থিতিও সেইদৰে একোটা জাতিক বা জনগোটক আধাৰ কৰি বর্তি থাকে। সাহিত্যৰ প্রসংগত পিছলৈ থৈ যদি সংস্কৃতিৰ কথাৰে আৰম্ভ কৰা যায় তেনে হ'লে আপুনি দুটা দিশ মন কৰিব লাগিব। প্রথম কথা, অসমীয়া সংস্কৃতিত শংকৰদেৱৰ নীতি-আদর্শ-সাহিত্য-শিল্প-কলা আদিবোৰৰ প্রভাৱ; আৰু দ্বিতীয়তে যিবোৰ কথা-কাণ্ডই সংস্কৃতি এটা বর্তি থাকিব পৰা জনগোট এটাক নিজস্ব পৰিচয়েৰে গঢ় দিয়ে তেনে কথা-কাণ্ডৰ পর্যায়ত শংকৰদেৱৰ কৃতিৰ গুৰুত্ব। তলত কথাটো পর্যায়ক্রমে আলোচনা কৰা হ'ল।

ঊনবিংশ শতিকাৰ আদিভাগতে উত্তৰ-পূব ভাৰতৰ ভূখণ্ডত ঔপনিৱেশিক শাসন সূচনা হোৱাৰ আগলৈকে ব্রহ্মপুত্র উপত্যকাৰ বৃহৎ ভূমিখণ্ড মংগোলীয় মূলীয় লোকসকলেই গোষ্ঠীবন্ধনৰ মাজেদি শাসন কৰি আছিল। এই ইতিহাস আপুনি নিশ্চয় জানে। এই মংগোলীয় শাসকসকল বা তেওঁলোকৰ গোষ্ঠীৰ ভাষাও আছিল তিব্বতবর্মীয় ভাষা তথা অনা-আর্যমূলীয় ভাষা। ভৌগোলিকভাৱে বড়ো-কছাৰী, লালুং, আহোম চুতীয়া কোচ আদি লোকসকল বিভাজিত হৈ থকাৰ দৰে ভাষিক, সাংস্কৃতিক; আনকি প্রশাসনিকভাৱেও এওঁলোক পৃথক-পৃথক। কোচ ৰাজ্যৰ সমৃদ্ধিৰ সময় (নৰনাৰায়ণ-চিলাৰায়ৰ সময়) আৰু কোচৰাজ্য অৱনতিৰ সমান্তৰালভাৱে আহোম শক্তিৰ বিস্তাৰৰ কাললৈ অসমীয়া বুলি কোনো জাতিসত্তাৰ পৰিচয় নাছিল। অসমীয়া পৰিচয়তকৈ মানুহৰ জাতিগত (Caste-Tribe) পৰিচয়হে মুখ্য আছিল। যেনে— ব্রাহ্মণ, মৰিয়া, চুতীয়া, আহোম, কোচ, কলিতা, কেওঁট, কৈৱর্ত, কায়স্থ এই পৰিচয়বোৰ সামৰি লৈ 'অসমীয়া'

কন্দলি আদি কবিসকলৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা পদ-পুথিৰ ভাষাৰ আলমত কাব্য ৰচনা কৰিছিল আৰু ধৰ্ম প্ৰচাৰ কৰিছিল। *কথা-গুৰুচৰিত* আদি গ্ৰন্থই দিয়া অসমীয়া ভাষাৰ এক বিনয়ী, লোকধৰ্মী ভাষাৰূপ(শৈলী)টোও পৰোক্ষভাৱে শংকৰদেৱৰে অৱদান। এতিয়া মন কৰক, শংকৰদেৱৰ ধৰ্ম আৰু গীত-মাত-পদ-ভাওনা যিমান বিয়পিছিল অসমীয়া ভাষা-চৰ্চাও সিমানে বিয়পা নাছিলনে? একেদৰে শংকৰদেৱৰ ভকতীয়া সমাজখনৰ সদস্য হোৱা জনগোষ্ঠীয় প্ৰজাৰ মাজতো অসমীয়া ভাষাৰ চৰ্চা আগবাঢ়িছিল। অনাখৰী সাধাৰণ প্ৰজাইও আখৰ নিচিনাকৈ শুনি শুনি *কীৰ্ত্তন-দশম*ৰ পদ সুৰ ধৰি গাব পৰা হৈছিল; হালোৱা-হজোৱা মানুহেও ৰৰগীতৰ দৰে ধ্ৰুপদী সংগীত চৰ্চা কৰিছিল, সূত্ৰধাৰী নাচিছিল, শাস্ত্ৰীয় শৈলীৰ খোলবাদন কৰিব পাৰিছিল, অভিনয় কৰিব শিকিছিল, মুখা সাজিব শিকিছিল ইত্যাদি। ইয়াকে সূৰ্যকুমাৰ ভূঞাই কৈছিল 'অনাখৰী শিক্ষা '(Illiterate literacy)। এইখিনি কথাকে ক'ব বিচৰা হৈছে যে বিভিন্ন জাতি-গোষ্ঠীৰ মানুহক সামৰি এক উমৈহতীয়া সাংস্কৃতিক পৰিচয় এটা নিৰ্মাণৰ প্ৰাথমিক কামখিনি শংকৰদেৱে কৰি দিছিল তেওঁ নিজে নজনাকৈয়েই। এই সংস্কৃতি বুকুত সামৰি বিকাশ আৰু সমৃদ্ধ হোৱা জনগোটটোৱেই অসমীয়া জাতি। আকৌ, মন কৰক, আৰ্যমূলীয় সংস্কৃতিৰ এক সৰলীকৃত, পৰিমাৰ্জিত আৰু উপযোগী ৰূপ এটা শংকৰদেৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহৰ বাবে নিৰ্মাণ কৰি দিলে। একেসময়তে সেই ৰূপটোত তেওঁ জনগোষ্ঠীৰ সংস্কৃতিৰ উপাদানো কৌশলেৰে সংমিশ্ৰিত কৰিলে। গৱেষকসকলৰ মতে, ভোৰতাল, সূত্ৰধাৰৰ মুকুট, খোলৰ আৰ্হি, নামঘৰৰ স্থাপত্য আদিৰ মাজত জনগোষ্ঠীয় সংস্কৃতিৰ ৰেশ বা প্ৰভাৱ আছে। সত্ৰীয়া নৃত্যৰ ভালেমান ভংগীমা, গীত-পদৰ সুৰৰ মাজতো জনগোষ্ঠীয় পৰিৱেশ্য লোককলাৰ প্ৰভাৱ অনুমান কৰা হৈছে। এইবোৰ কথাই আৰ্য-অনা-আৰ্য সংমিশ্ৰিত অসমীয়া জাতিসত্তা নিৰ্মাণত প্ৰভূত অৰিহণা যোগাইছিল। আজি আপুনি মন কৰিলে দেখিব অসমৰ বহুকেইটা মংগোলীয়মূলীয় জনগোটৰ মাজত নিজৰ তিব্বতবৰ্মীয় মূল ভাষাটো নাই; তাৰ সলনি তেঁওলোকে অসমীয়া ভাষাকে মাতৃভাষা হিচাপে লৈছে। ঠেঙাল কছাৰী, মিচিং ভাষা নোকোৱা মিচিং, সোনোৱাল কছাৰী, শৰনীয়া কছাৰী, আহোম, মৰাণ, মটক পাতি-ৰাভা আদি এনে উদাহৰণ। আকৌ এইসকলৰ মাজত শংকদেৱৰ ভক্তি ধৰ্ম-সংস্কৃতিৰ প্ৰভাৱ অত্যন্ত গভীৰ। অসমীয়া ভাষাই অসমীয়া জাতিৰ আধাৰ। গতিকে অসমীয়া জাতিসত্তা নিৰ্মাণ প্ৰক্ৰিয়াত শংকৰদেৱৰ কি গভীৰ প্ৰভাৱ এই কথাই তাৰ ইংগিত দিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাণীকান্ত কাকতিয়ে 'শংকৰদেৱৰ আধ্যাত্মিক দান' প্ৰবন্ধটোত শংকৰদেৱৰ কেইটা আৰু কি কি প্ৰধান আধ্যাত্মিক দানৰ কথা উল্লেখ কৰিছে? (60 টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

তুলনামূলকভাৱে কম। নাৰীৰ সামাজিক স্থিতিও এই ক্ষেত্ৰত মন কৰিবলগীয়া। নিজৰ ৰচনাৰ মাজেদিয়েই নহয় ব্যক্তিগত জীৱনতো গুৰুজনা ৰদোৱাত থাকোতেই যোগমায়া নামৰ কৈৱৰ্ত সমাজৰ নাৰীগৰাকীৰ হতুৱাই বান্ধ বন্ধাৰ কামৰ শুভাৰম্ভ কৰাই তেৱাই নাৰী জাতিক মযাৰ্দাৰ স্থান দিছিল। পিছলৈ এই যোগমায়াই ৰাধিকা শান্তি নামেৰে বিখ্যাত হৈ পৰে।

উত্তৰ ভাৰত আৰু পশ্চিমবংগ আদিত পূজাৰ প্ৰসাদ হিচাপে বিশেষকৈ মিঠাইৰ প্ৰচলন আছে। ইয়াৰ পৰিৱৰ্তে শংকৰদেৱ প্ৰচাৰিত ভক্তিধৰ্মৰ নামসেৱাৰ প্ৰসাদত কেচা বুট-মগু, ফল-মূল ব্যৱহাৰ হোৱা দেখা যায়। যি স্বাস্থ্যসন্মত জীৱন-যাপনৰ অনুশীলন আমাক শংকৰী আদৰ্শই শিকায়। ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত দুখীয়া হ'লেও অসমীয়া গাওঁবোৱতো শৌচাগাৰৰ ব্যৱহাৰ, আগফাল-পাচফালৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাত শংকৰী ধৰ্ম আদৰ্শৰ প্ৰভাৱ নিশ্চয় আছে। অসমীয়া গঞা ৰাইজৰ আচাৰ আচৰণ, মাতকথা, সাজসজ্জা আদিও পৰিস্ফূট হোৱা বিনয়ীভাব, সৌজন্যবোধ, সৌন্দৰ্যবোধ, পৰিশিলীত পৰিচ্চন্নতা আদি শংকৰী আদৰ্শ-সংস্কৃতিৰে ফল। জনগোষ্ঠীয় সমাজৰ মাজতো পৰিস্ফুট হোৱা কিছু সাংস্কৃতিক প্ৰকাৰ্য পোনপটীয়াকৈ শংকৰী সংস্কৃতিৰ দান। জনগোষ্ঠীয় সমাজতো ঘোষাপাঠ, নাম কীৰ্তন কৰা দেখিবলৈ পোৱা গৈছে। সাংস্কৃতিক পৰিচয়সূচক ঐতিহ্যসম্পদ অসমীয়াৰ পৰিচয়। গতিকে এই সাংস্কৃতিক উপাদানসমূহৰ চৰ্চ্চাৰ অবিহনে অসমীয়াই বিশ্বৰ আগত নিজকে চিনাকি দিব নোৱাৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ নামঘৰে আমাৰ সামাজিক জীৱন কি দৰে সমৃদ্ধ কৰিছে। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১.৩.১ অসমীয়া সাহিত্যলৈ শংকৰদেৱৰ অৱদান

ওপৰৰ আলোচনাখিনি অসমীয়া সাহিত্য-সংস্কৃতিলৈ শংকৰদেৱৰ অৱদানৰ পটভূমি হিচাপে লৈ এতিয়া আমি পোনপটীয়াকৈ সাহিত্যৰ প্ৰসংগলৈ আহিব পাৰোঁ। শংকৰী যুগটোক অসমীয়া সাহিত্যৰ সবাটোকৈ সমৃদ্ধ যুগ বুলি ক'ব পৰি। ভাৰতৰ বহু প্ৰান্তীয় ভাষাতকৈ, আনকি বাংলা ভাষাতকৈও এইখিনি সময়ৰ অসমীয়া সাহিত্য বেছি সমৃদ্ধ আৰু ব্যাপক। ইয়াৰ কেন্দ্ৰীয় সাহিত্যিকগৰাকীয়েই হ'ল শংকৰদেৱ।

প্ৰথমে মন কৰক, প্ৰাক্-শংকৰী যুগৰ কবিসকলে হয় আত্মপ্ৰকাশৰ মাধ্যম ৰূপে কাব্য-চৰ্চা কৰিছিল, অথবা ৰজাৰ আদেশ মানি সাহিত্য-চৰ্চা কৰিছিল। শংকৰদেৱৰ

গৈছে। শংকৰদেৱৰ অনুবাদ মূলক ৰচনাসমূহৰ ভিতৰত দশম স্কন্ধ *ভাগৱতৰ* পদেই শ্ৰেষ্ঠকৰ্ম। অসমীয়া সমাজত *আদি দশম* নামেৰে জনাজাত গ্ৰন্থখনত মূল দশম স্কন্ধৰ ৯০ টা অধ্যায়ৰ পৰা তেওঁ ৪৯ টা অধ্যায়ৰ পদ অনুবাদ কৰিছে। কবি অনন্ত কন্দলিয়ে গুৰুজনাৰ পৰামৰ্শমতে এই স্কন্ধৰ বাকী অধ্যায়কেইটাৰ ভাঙনি কৰিছে। শংকৰদেৱৰ অনুবাদ অংশত শ্ৰীকৃষ্ণৰ জন্ম আৰু শিশুলীলাৰ পৰা আৰম্ভ কৰি কংসবধৰ পৰৱৰ্তী গোপী উদ্ধৱ সংবাদলৈকে সামৰা হৈছে। অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ চাৰিপুথিৰ ভিতৰত শংকৰদেৱৰ *দশম* অন্যতম। শংকৰদেৱৰ *আদি দশম* অনুদিত গ্ৰন্থ হ'লেও ইয়াৰ ভাব-ভাষা, বিভিন্ন লৌকিক আৰু সাহিত্যিক সৌন্দৰ্যই ইয়াক এখনি ধ্ৰুপদী গ্ৰন্থৰূপে থিয় কৰাইছে।

উত্তৰাকাণ্ড ৰামায়ণ গুৰুজনাৰ পূৰ্বকবি মাধৱ কন্দলীৰ অসম্পূৰ্ণ *সপ্তকাণ্ড ৰামায়ণৰ* সংযোগী অংশ হিচাপে ৰচিত হৈছে। *ৰামায়ণৰ* অনুবাদৰ ক্ষেত্ৰত মূল কাহিনীভাগ ঠিকে ৰাখি দীঘলীয়া বিষয় বৰ্ণনাবোৰ চমু কৰিছে। আনুষংগিক আখ্যান উপাখ্যানবোৰ প্ৰায় পৰিহাৰ কৰিছে আৰু প্ৰতিটো অধ্যায় ভক্তিৰসেৰে আপ্লুত কৰি তুলিছে।

- *কাব্য ঃ হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যখনেই শংকৰদেৱৰ প্ৰথম ৰচনা বুলি ধৰা হয়। *মাৰ্কণ্ডেয় পুৰাণৰ* ৭ম, ৮ ম অধ্যায়ৰ আধাৰত ৰচনা কৰা *হৰিশ্চন্দ্ৰ উপাখ্যান* কাব্যখনৰ জৰিয়তে শংকৰদেৱে অসাধাৰণ কবি প্ৰতিভাৰ পৰিচয় দিছে। বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰাই কাব্যখনৰ মূল উপজীব্য। নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যৰে শংকৰদেৱ মূলৰ পৰা বহুক্ষেত্ৰত আঁতৰি আহিছে। *ৰুক্মিণী হৰণ* শংকৰদেৱৰ ডেকা বয়সৰ ৰচনা। হৰিবংশৰ কাহিনীৰ লগত *ভাগৱত* শাস্ত্ৰৰো কথা যোগ দি কবিয়ে 'মধুমিশ্ৰ দুগ্ধ' ৰ দৰে কাব্যখনি আস্বাদানীয় কৰিবলৈ যত্ন কৰিছে। থলুৱা সাঁচত কৰা চৰিত্ৰ চিত্ৰণ, পৰিৱেশ চিত্ৰণ আৰু স্থানীয় বচনভংগী কাব্যখনৰ প্ৰধান বৈশিষ্ট্য। মূলৰ পৰা কাহিনীভাগ চয়ন কৰিলেও কবিয়ে নিজৰ মৌলিকতাৰ পৰশেৰে কাব্যখনি অধিক আকৰ্ষণীয় কৰি তুলিছে। শৃংগাৰ আৰু বীৰ ৰসৰ প্ৰাধান্য থাকিলেও হাস্যৰসৰ ছিটিকনিয়ে কাব্যখনক উপভোগ্য কৰি তুলিছে। সাহিত্যিক গুণৰ কালৰ পৰা সমগ্ৰ অসমীয়া সাহিত্যৰ ভিতৰতে *ৰুক্মিণী হৰণ* কাব্য এখন অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ ৰূপে পৰিগণিত হৈছে।

বলিছলন কাব্যখনি ৰচনা কৰোঁতে শংকৰদেৱে *ভাগৱত পুৰাণৰ* ৮ম স্কন্ধৰ শেষৰ অধ্যায়কেইটাৰ লগত *বামন পুৰাণৰ* কাহিনীভাগৰ মিশ্ৰণ কৰিছে। বামনে কিদৰে তিনিপদ ভূমি বিচাৰি অত্যাচাৰী বলিক ছলনা কৰিলে তাৰ বৰ্ণনা কৰি মহাপুৰুষজনাই কৃষ্ণনামৰ মাহাত্ম্য ঘোষণা কৰিছে। ভক্তিধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদনেই *বলিছলনৰ* মূল কথা।

ভাগৱতৰ ৮ম স্কন্ধৰ ৬ষ্ঠ অধ্যায়ৰ পৰা দ্বাদশ অধ্যায় পৰ্যন্ত বৰ্ণিত কাহিনীভাগৰ

যজ্ঞত আস্থাশীল ব্ৰাহ্মণসকলে কৃষকসকলক অৱজ্ঞা কৰিছে আনহাতে কৃষ্ণভক্তি পৰায়ণা ব্ৰাহ্মণীসকলে কৃষ্ণক সুমিষ্ট খাদ্যবস্তু নিবেদন কৰিছে। এইখিনিতে যাগযজ্ঞ কৰ্মত বিশ্বাসী ব্ৰাহ্মণসকলৰ ভক্তিপৰায়না ব্ৰহ্মণীসকলৰ লগত বিৰোধ হৈছে; কিন্তু শেষত ব্ৰাহ্মণসকলেও নিজ কৰ্মত অনুতপ্ত হৈ ভক্তিসহ কৃষ্ণত শৰণ লৈছে। কৰ্ম মাৰ্গ আৰু ভক্তি মাৰ্গৰ বিৰোধৰ ভেটিত ভক্তি মাৰ্গৰ শ্ৰেষ্ঠত্ব নাটখনত প্ৰতিপন্ন কৰিছে। অৱশ্যে, নাট হিচাপে এইখন নাট নাট্যকলাৰ প্ৰকৃষ্ট পৰিচায়ক নহয়। কাহিনীভাগো চমু আৰু নাট্যগুণবৰ্জিত বুলি ক'ব পাৰি।

ৰামৰাম (জগতানন্দ)ৰ অনুৰোধত শংকৰদেৱে *কালিদমন* নাটখন লিখি উলিয়াই। *ভাগৱতৰ* দশম স্কন্ধৰ ষোড়শ- সপ্তদশ অধ্যায়ৰ কাহিনীবস্তুৰ লগত *হৰিবংশ* আৰু *ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ* কথাৰ সংমিশ্ৰনেৰে *কালিদমন* নাটখন ৰচিত হৈছে। নাটখনৰ কাহিনীভাগ এনেধৰণৰ — কালি হ্ৰদত কালিনাগ নামৰ এটা বিষাক্ত সাপ আছিল। গোপবালকসকলে সেই হ্ৰদৰ পানী খোৱাত অচেতন হৈ পৰে। পিছত কৃষ্ণই অমৃত দৃষ্টি নিক্ষেপেৰে তেওঁলোকক জীৱন দান দিলে। কালিনাগৰ লগত শিশুকৃষ্ণ যুদ্ধ হৈ আৰু কালিনাগ দুৰ্বল হৈ পৰে। মৃতপ্ৰায় হোৱা কালিনাগক বচাবলৈ নাগপত্নীসকলে স্তুতি কৰে আৰু কৃষ্ণ সন্তুষ্ট হৈ কালিনাগক হ্ৰদ এৰি যাবলৈ বাধ্য কৰে। কালিনাগ সপৰিয়ালে ৰমনক দ্বীপলৈ গুচি যায়। সেই ৰাতিটো কৃষ্ণই গোপ বালকসকলৰ সৈতে বৃন্দবনতে কটাবলগীয়া হয় কিন্তু ৰাতি বনপোৰা জুয়ে তেওঁলোকক আৱৰি ধৰাত কৃষ্ণই অলৌকিক শক্তিৰে ৰক্ষা কৰে। *কালিদমন* নাটত বীৰ আৰু অদ্ভুত ৰসৰ লগতে যশোদাৰ বাৎসল্য প্ৰেমো ফুঁটি উঠিছে। শংকৰদেৱে বৰ্ণনাত্মক ৰীতিৰে নাটকীয় কাহিনীভাগ দৰ্শকৰ সন্মুখত উপস্থাপন কৰিবলৈ যত্ন কৰিছে।

ভাগৱতৰ দশম স্কন্ধৰ 'ৰাস পঞ্চাধ্যায়'ৰ ভেঁটিত শংকৰদেৱে *কেলিগোপাল* নাট ৰচনা কৰে। ৰামৰায়ৰ অনুৰোধত ৰচনা কৰা নাটখন *ৰাসক্ৰীড়া* নামেৰেও জনা যায়। নাটখনত বৰ্ণিত কাহিনীভাগ এনেধৰণৰ— শাৰদীয় জোনাক নিশা কৃষ্ণৰ বাঁহীৰ সুৰ শুনি মুগ্ধ হৈ গোপীসকল কৃষ্ণৰ ওচৰলৈ অহাত কৃষ্ণই তেওঁলোকৰ ভক্তি পৰীক্ষা কৰাৰ উদ্দেশ্য নিজ কৰ্তব্যৰ কথা সোঁৱৰাই দি ঘৰলৈ যাবলৈ কয়; কিন্তু গোপী সকল উভতি নগৈ কৃষ্ণৰ লগত যমুনাৰ বালিতে বিহাৰ কৰিলে। এনেতে গোপীসকলৰ মনত অহংকাৰ হয় যে তেওঁলোক পৃথিৱীৰ সমগ্ৰ নাৰীসকলৰ ভিতৰতেই শ্ৰেষ্ঠ। সেই অংহকাৰ খৰ্ব কৰাৰ উদ্দেশ্য লৈ শ্ৰীকৃষ্ণ এগৰাকী গোপীক লৈ অন্তৰ্ধান হয়। সেইগৰাকী গোপীৰ মনতো গৰ্বভাব হোৱাত শ্ৰীকৃষ্ণ পুনৰ অন্তৰ্ধান হয়। তেতিয়া গোপীসকলৰ অহংকাৰ খৰ্ব হয় আৰু কৃষ্ণক স্তুতি-মিনতি কৰি কৃষ্ণৰ দৰ্শন লাভ কৰে। তাৰ পাছত যমুনাৰ পাৰলৈ গৈ কৃষ্ণই গোপীসকলৰ লগত ৰাসক্ৰীড়া কৰে। নাট খনত *ভাগৱতৰ* ১০ম স্কন্ধৰ 'শংখচুড় বধ'ৰ আখ্যানভাগো অন্তৰ্ভুক্ত কৰা হৈছে। মধুৰ্য গুণসম্পন্ন শব্দ, ভাষা, ছন্দ আৰু অৰ্থৰ সংগতিয়ে

নাটখনৰ মূল হৈছে— সত্যভামাৰ মান-অভিমান আৰু নাৰদৰ চতুৰালি তথা টুটকীয়া ফালটোৰ প্ৰকাশ। *পাৰিজাত হৰণ* নাটত বীৰ, শৃংগাৰ আৰু হাস্যৰস প্ৰতিফলিত হৈছে। মানুহ দেৱতাৰ শাৰীলৈ উঠা আৰু দেৱতা মানুহৰ শাৰীলৈ নমা, স্বভাৱৰ বৈপৰীত্য আৰু সহধৰ্মীতা নাটখনৰ আন দুটা বিশেষত্ব।

শংকৰদেৱে *ৰামায়ণৰ* আদিকাণ্ডৰপৰা আখ্যান লৈ লিখা একমাত্ৰ নাটখন হ'ল *ৰামবিজয়* আৰু এইখনি নাট তেওঁৰ সাহিত্য জীৱনৰো শেষ সৃষ্টি। নৰনাৰায়ণ ৰজাৰ ভাতৃ চিলাৰায় দেৱানৰ অনুৰোধত শংকৰদেৱে নাটখন লিখিছিল বুলি চৰিত পুথিৰ পৰা জনা যায়। নাটখনৰ কাহিনীভাগ এনেধৰণৰ— অযোধ্যাপতি দশৰথৰ অনুমতিক্ৰমে ঋষি বিশ্বামিত্ৰই যজ্ঞৰ শত্ৰু ৰাক্ষসৰ পৰা পৰিত্ৰাণ পাবৰ বাবে ৰাম-লক্ষ্মণক অনা, ৰাম-লক্ষ্মণে ৰাক্ষস দমন কৰাৰ পাছত তেওঁলোকক বিশ্বমিত্ৰই মিথিলালৈ যায় আৰু সীতাৰ সয়ম্বৰ সভাত উপস্থিত হৈ ৰামে ধনুভংগ কৰি সীতাৰ পাণিগ্ৰহণ কৰে। তাৰ পাছত অযোধ্যালৈ উভতোতে বাটত পৰশুৰামৰ লগত যুদ্ধত অৱতীৰ্ণ হয় আৰু যুদ্ধত পৰশুৰামৰ পৰাজয় হয়। নাটখনত শংকৰদেৱে মৌলিকভাৱে কিছুমান কথা সংযোগ কৰিছে। নাটখন ৰচনা কৰোঁতে গুৰুজনাই ঠায়ে ঠায়ে কল্পনাৰে দীৰ্ঘ ৰূপ দিছে আৰু ঠায়ে ঠায়ে মূলৰ কাহিনীক চমু কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শংকৰদেৱে অংকীয়া নাট সৃষ্টি কৰোতে ক'ৰ ক'ৰ পৰা সমল সংগ্ৰহ কৰিছিল ?

.....

প্ৰশ্ন নং ৪ ঃ শংকৰদেৱৰ অনুবাদমূলক ৰচনাসমূহৰ নাম উল্লেখ কৰক।

.....

➢ *গীত ঃ* ভক্তি আন্দোলনত শ্ৰৱণ-কীৰ্তনক দিয়া গুৰুত্বৰ বাবেই এই আন্দোলনত গীত-পদৰ এক বিশেষ ভূমিকা আছে। অসমত নৱ-বৈষ্ণৱ আন্দোলনক কেন্দ্ৰ কৰি অসংখ্য গীত পদৰ সৃষ্টি হৈছিল আৰু সেইবোৰে আন্দোলনটোৰ বিস্তাৰ লাভত প্ৰভূত্ব পৰিমাণে সহায় কৰিছিল। ৰৰগীত, ভটিমা, টোটয় আৰু চপয় শংকৰদেৱৰ গীতি সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন।

অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে উচ্চ আধ্যাত্মিক ভাববিশিষ্ট নিৰ্দ্দিষ্ট ৰাগতালযুক্ত, ব্ৰজাৱলী ভাষাত ৰচনা কৰা এক বিশেষ শৈলীৰে গোৱা গীতসমূহক 'ৰৰগীত' বোলা হয়। ৰৰগীত নামকৰণ অৱশ্যে মহাপুৰুষ দুজনাই কৰা নাই। পৰৱৰ্ত্তী বৈষ্ণৱ ধৰ্মগুৰু, ভক্তসকলেহে এইবোৰক ৰৰগীত আখ্যা দিছে। দৰাচলতে বিষয়বস্তুৰ মহত্ব, ৰচনাভংগীৰ সৌষ্ঠৱ

তিনিপ্ৰকাৰৰ— (ক) নাটৰ আদিতে দিয়া ভটিমা। এইবিধ ভটিমাত কৃষ্ণ বা ৰামক স্তুতি কৰা হয়। সূত্ৰধাৰে হস্ত বা নৃত্যৰ সহায়ত ইয়াক আবৃত্তি কৰে। (খ) নাটৰ কাহিনীৰ অগ্ৰগ্ৰতিৰ সহায়ক হ'ব পৰাকৈ দিয়া ভটিমা, আৰু (গ) নাটৰ শেষত দিয়া ভটিমা। কৃষ্ণৰ গুণানুকীৰ্তন কৰা এইবিধ ভটিমাক মুক্তিমংগল ভটিমা বুলিও কোৱা হয়। গুৰু গম্ভীৰ প্ৰকাশভংগী আৰু আলংকাৰিক ৰচনাশৈলীয়ে বৰগীতৰ দৰে ভটিমাকো মধ্যযুগীয় অন্য গীতি সাহিত্যৰ পৰা পৃথক কৰিছে।

'টোটয়' হৈছে সংস্কৃত টোটয় ছন্দৰ আৰ্হিত গুৰুজনাই ৰচনা কৰা বিষ্ণুৰ মহিমা প্ৰকাশক এক শ্ৰেণীৰ গীত। গুৰুজনাৰ টোটয়ৰ ভিতৰত 'মধুদানৱ দাৰণ দেৱ ৰৱং' স্তোতটি অন্যতম। গুৰুজনাই ৰচনা কৰা চপয় হৈছে এটি ছন্দৰ নাম। গুৰুজনাই কিছু গীত চপয় ছন্দৰ ৰচনা কৰিছিল। অংকীয়া নাটত এনে চপয় ছন্দ গীত পোৱা যায়। টোটয় আৰু চপয় শাস্ত্ৰীয় মুৰৰ গাম্ভীৰ্যৰে মহিমামণ্ডিত।

- *নাম প্ৰসংগমূলক গ্ৰন্থ ঃ* মহাপুৰুষ শংকৰদেৱৰ কবি প্ৰতিভাৰ সৰ্বোত্তম নিদৰ্শন *কীৰ্তন-ঘোষা*। অসমীয়া জনজীৱনত *কীৰ্তন-ঘোষাৰ* প্ৰভাৱ অপৰিসীম। *কীৰ্তন-ঘোষা* সমগ্ৰ বৈষ্ণৱ কাব্যৰো কীৰ্তিস্তম্ভস্বৰূপ আৰু 'বৈষ্ণৱ চাৰি পুথি'ৰ এখন। গুৰুজনাই ৰৱদোৱাত থকা কালতে কীৰ্তনৰ পদ কৰিবলৈ আৰম্ভ কৰে আৰু জীৱনৰ বিভিন্ন সময়ত বিভিন্ন ঠাইত পুথিখনৰ খণ্ডবোৰ ৰচনা কৰে আৰু কোচৰাজ্যত ইয়াৰ সমাপ্তি ঘটে। মাধৱদেৱৰ আদেশানুসৰি তেওঁৰ ভাগিনীয়েক ৰামচৰণ ঠাকুৰে বিভিন্ন স্থানত সিচঁৰতি হৈ থকা খণ্ডবোৰ সংগ্ৰহ কৰে। ১৮৭৬ চনত হৰিবিলাস আগৰৱালাই *কীৰ্তন-ঘোষা আৰু নামঘোষাৰ* প্ৰথম মুদ্ৰিত সংস্কৰণ প্ৰকাশ কৰাৰ পিছৰ পৰা এতিয়ালৈকে প্ৰায় ১২ /১৪ টি সংকলন ৰূপ প্ৰকাশ হৈছে। *কীৰ্তন*খন ২৭ টা স্বয়ংসম্পূৰ্ণ খণ্ডৰ সমষ্টি। সেই খণ্ডসমূহ যথাক্ৰমে — (১) চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা, (২) নামাপৰাধ, (৩) পাষণ্ড মৰ্দ্দন, (৪) ধ্যান বৰ্ণন, (৫) অজামিল উপাখ্যান, (৬) প্ৰহ্লাদ চৰিত, (৭) গজেন্দ্ৰোপাখ্যান, (৮) হৰমোহন, (৯) বলিছলন, (১০) শিশুলীলা, (১১) ৰাসক্ৰীড়া, (১২) কংসবধ, (১৩) গোপী উদ্ধৱ সংবাদ, (১৪) কুব্জীবাঞ্ছা পূৰণ, (১৫) জৰাসন্ধ যুদ্ধ, (১৬) কালযৱনবধ, (১৭) মুচুকুণ্ড স্তুতি, (১৮) স্যমন্ত হৰণ, (১৯) নাৰদৰ কৃষ্ণ দৰ্শন, (২০) বিপ্ৰপুত্ৰ আনয়ন, (২১) দামোদৰ বিপ্ৰাখ্যান, (২২) দৈৱকীৰ পুত্ৰ আনয়ন, (২৩) বেদস্তুতি, (২৪) লীলামালা, (২৫) কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, (২৬) ভাগৱত তাৎপৰ্য আৰু (২৭) ওৱেষা বৰ্ণনা। অৱশ্যে বিভিন্ন সম্পাদিত পুথিত এই ক্ৰমৰশেষৰ ফালে সামান্য সালসলনি হোৱা দেখা যায়।

ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ পৰা *কীৰ্তন-ঘোষাৰ* 'ওৱেষা বৰ্ণনা' আৰু *পদ্মপুৰাণৰ* পৰা 'নাম অপৰাধ খণ্ড' ৰচনা কৰা হয়। বাকী গোটেই কেইটা খণ্ডৰ বিষয়বস্তুয়েই *ভাগৱত* পুৰাণৰ পৰা গৃহীত। *কীৰ্তনত* হৰ্ষবিষাদ, প্ৰেমবিৰহ, ক্ৰোধ-ক্ষমা আদিয়ে জুমুৰি

অসমীয়া সাহিত্যৰ বুৰঞ্জীত স্মৰণীয় হৈ ৰ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শংকৰদেৱে প্ৰথমটো বৰগীত ক'ত ৰচনা কৰিছিল?

.....

প্ৰশ্ন নং ৬ ঃ 'ভটিমা' মানে কি? গুৰুজনাই কেই প্ৰকাৰৰ আৰু কি কি ভটিমা ৰচনা কৰিছিল?

.....

প্ৰশ্ন নং ৭ ঃ শংকৰী সাহিত্যত প্ৰধানকৈ কি কি ভাৱ প্ৰকাশ পাইছে?

.....

১.৩.২ সাম্প্ৰতিক সময়ৰ অসমীয়া জাতীয় জীৱনত শংকৰদেৱৰ প্ৰাসংগিকতা

জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীয়ে কুৰি শতিকাত চলোৱা অস্পৃশ্যতা বৰ্জন অভিযান শংকৰদেৱে চাৰে পাঁচশ বছৰৰ আগেয়ে অসমত চলাইছিল। শংকৰদেৱে উচ্চ-নীচ ভেদাভেদ নাশ কৰাৰ কাৰণে সকলো জাতি-গোষ্ঠীৰ লোককে ভকত পাতি দিছিল, সমমৰ্যাদা দিছিল; কিন্তু পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি আজিৰ অসমীয়াই কঠোৰ পৰিশ্ৰম কৰিও গঢ়ি তুলিবলৈ অসমৰ্থ হৈছে। সাম্প্ৰতিক ঘটনাৱলীয়ে সমাজত মাৰাত্মক ধৰ্মীয় অসহিষ্ণুতা উদঙাই দিছে। এই ধৰ্মীয় অসহিষ্ণুতাৰ প্ৰসংগত শংকৰদেৱ আজিও প্ৰাসংগিক। "আন ধৰ্মক নিহিংসিবা কদাচিত" — এয়া শংকৰদেৱে নিজৰ কামৰ মাজেদিয়েই প্ৰদৰ্শন কৰি গৈছে। গুৰুজনাই প্ৰচাৰ কৰা নামধৰ্ম বিশ্বজনীন। নামধৰ্মতহে যে ভগৱানক নিৰাকাৰ বুলি কৈছে এনে নহয়, প্ৰত্যেক ধৰ্মৰ ধৰ্মস্থাপক বেলেগ-বেলেগ হ'লেও তেঁওলোকৰ নিজ নিজ ধৰ্ম অনুযায়ী নিৰাকাৰ ভগৱানকহে মানে। অমৰনাথ, বিশ্বনাথ, সোমনাথ আৰু পশুপতি আদি মন্দিৰত যি শিৱলিংগৰ পূজা কৰা হয় সেয়া নিৰাকাৰ পৰম আত্মাৰ প্ৰতীকহে। গতিকে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো মানুহেই একেজন পৰমাত্মাৰ সন্তান। গুৰুজনাই কৈ গৈছে—

কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিয়া প্ৰণাম।।

সাম্প্ৰতিক সময়ত ৰাজনৈতিক আৱ-হাৱাৰ পৰা কোনো বাচি থাকিব নোৱাৰে। এফালে বিশ্বায়নৰ প্ৰভাৱত থলুৱা সংস্কৃতিলৈ অহা প্ৰত্যাহ্বান আৰু আনফালে অৰ্থনৈতিক নিৰ্ভৰশীলতাৰ বাবে জাতীয় স্বাভিমান হেৰুৱাবলগীয়া পৰিস্থিতি। এনে সময়ত সাংস্কৃতিক ঐতিহ্যৰ শিপাডাল মজবুত নহ'লে জাতিৰ স্থিতিয়েই নোহোৱা হৈ পৰিব। এই ঐতিহ্যৰ শিপাডাল বিচাৰোঁতেই আমি শংকৰদেৱক পাও। শংকৰদেৱ প্ৰচণ্ড কৰ্মশক্তি আৰু অবিস্মৰণীয় কষ্টসহিষ্ণুতাৰ প্ৰতীক। সমগ্ৰ জীৱন তেওঁ নানা প্ৰত্যাহ্বানৰ মুখামুখি

বাবেই অসমীয়া সমাজখন বহু পিচ পৰি ৰ'ল। আজিৰ বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগত সকলো সমস্যাৰ সমাধান আছে কিন্তু অকল আধ্যাত্মিক চিন্তাৰ জৰিয়তেহে মানুহৰ অন্তৰত মৰম-দয়া আদি বিশুদ্ধতৰ হৈ পৰে। মন শুদ্ধ হ'লেই মানুহবো পৰিৱৰ্ত্তন হয়। দুখ-অশান্তি নাইকিয়া হৈ সমাজত মৈত্ৰীভাৱ স্থাপন হয়।

ধৰ্মীয় প্ৰাসংগিকতা আজিৰ তাৰিখত অবান্তৰ কিন্তু শংকৰী ধৰ্মৰ লগত এক ঐশ্বৰ্যময় সংস্কৃতিৰ ৰূপ জড়িত। নামকীৰ্ত্তন, সত্ৰীয়া নৃত্য-গীত, বৰগীত, গায়ন-বায়ন আদিবোৰ ধৰ্মীয় প্ৰকাৰ্যৰ অংগ যদিও একেসময়তে ইবোৰ অসমীয়া সংস্কৃতিৰ পৰিচয়সূচক ঐতিহ্যসম্পদ। গতিকে এই সাংস্কৃতিক প্ৰকাৰ্যসমূহৰ চৰ্চা বৰ্তমান প্ৰজন্মৰ বাবে অতি প্ৰয়োজনীয়। এটা কথা স্বীকাৰ কৰিব লাগিব যে পৰিৱৰ্তিত সময়ৰ লগে লগে মানুহৰ, সমাজৰ প্ৰয়োজন আৰু ব্যৱস্থাও সলনি হয়। মধ্যযুগৰ শংকৰদেৱক আমি আজি হুবহু ৰূপত প্ৰাসংগিক বুলিব নোৱাৰোঁ; কিন্তু তেওঁৰ আদৰ্শ সাম্প্ৰতিক সময়ত প্ৰাসংগিক। শংকৰদেৱে যিদৰে তেঁওৰ সময়ৰ সমাজ-সংস্কৃতিৰ পৰিৱৰ্তন উপলব্ধি কৰি পুৰণি ধ্যান ধাৰণাৰ অপ্ৰয়োজনীয় আৰু অমানৱীয় উপাদানখিনি ত্যাগ কৰি তেওঁৰ যুগৰ সৈতে খাপ খোৱা উপাদানসমূহ গ্ৰহণ কৰি এক নতুন সংস্কৃতিৰ পোষকতা কৰিছিল, ঠিক তেনেকৈ আজিৰ অসমীয়াই মধ্যযুগত নতুন যেন লগা কিন্তু বৰ্তমান সময়ত পুৰণি আৰু প্ৰগতি বিৰোধী হৈ পৰা ধৰ্মীয় ধ্যান-ধাৰণাসমূহ ত্যাগ কৰি সময়োপযোগী এক নতুন সংস্কৃতিক আদৰি ল'ব লাগিব আৰু এইক্ষেত্ৰত শংকৰদেৱৰ বৈপ্লৱিক মনোবৃত্তি আৰু সংস্কৃতি সৃষ্টিৰ দৃষ্টি আমাৰ আদৰ্শ হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ মধ্যযুগৰ শংকৰদেৱক আমি আজি হুবহু ৰূপত প্ৰাসংগিক বুলিব পাৰোঁনে? তেওঁ প্ৰাসংগিক যদি মূলতঃ কি ৰূপত প্ৰাসংগিক?

.....



১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- ইতিহাস এক প্ৰতিকূল সময়ৰ প্ৰতিকূল সামাজিক ব্যৱস্থাৰ মাজত শংকৰদেৱে প্ৰতিষ্ঠানিক হিন্দুধৰ্ম তথা সৰ্বমান্য হিন্দু ধৰ্মগ্ৰন্থৰ আধাৰত অসমৰ বিভিন্ন জাতি-বৰ্ণ-গোষ্ঠী-ভাষাভাষী মানুহক এক জনগোট ৰূপে সাংস্কৃতিকভাৱে গঢ় দিয়া প্ৰক্ৰিয়াটোক অসামান্য দক্ষতাৰে অৱিহণা যোগাইছিল। নানা শক্তিৰ বিৰোধৰ মাজেদি শংকৰদেৱে তেওঁৰ জীৱনটোত ঠাই



১.৬ অগ্রগতিৰ খতিয়ান

১ **নং প্রশ্নৰ উত্তৰ ঃ** বাণীকান্ত কাকতিয়ে 'শংকৰদেৱৰ আধ্যাত্মিক দান' প্রবন্ধটোত শংকৰদেৱৰ চাৰিটা প্রধান আধ্যাত্মিক দান দেখুৱাইছে। যথা —

- বহু দেৱতাৰ মাজত প্রধান দেৱতাৰ সন্ধান-দান, বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্রতি আমাৰ সামাজিক চৈতন্য জাগৰণ
- কর্মৰ (কর্মকাণ্ডৰ) বিভীষিকা নিবাৰণ
- আধ্যাত্মিক সাধনাত জাতি-ভেদৰ প্রাচীৰ নসাৎ কৰি মানুহক সমতা/ সাম্যৰ আদর্শৰ অনুশীলন
- বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক আধ্যাত্মিক উপলব্ধিৰ লীলাক্ষেত্র বুলি প্রতিপাদন, অর্থাৎ-ভক্তি-আদর্শ।

২ **নং প্রশ্নৰ উত্তৰ ঃ** মহাপুৰুষ শংকৰদেৱৰ এক অনন্য সৃষ্টি হ'ল নামঘৰ। নামঘৰ ধর্ম সাধনাৰ লগতে কলা সাধনাৰো মঞ্চ। নামঘৰসমূহে ভাওনা-নৃত্য-গীত আদি চাৰু শিল্পৰ উৎকর্ষ সাধন কৰি আমাৰ সামাজিক জীৱন সমৃদ্ধ কৰিছে। পৰিৱেশ্য কলাৰ লগতে বাঁহ-বেত, মৰাপাট, মাটি আদিৰে দৈনন্দিন ব্যৱহৃত শিল্পজাত সামগ্রী সঁজা কামো নামঘৰতে কৰা হয়। নামঘৰ অসমীয়া সমাজৰ বিচাৰালয়ো।

৩ **নং প্রশ্নৰ উত্তৰ ঃ** সংস্কৃত নাটক, ভাৰতৰ বিভিন্ন ঠাইৰ নাট্যধর্মী অনুষ্ঠান আৰু থলুৱা গীতি নাট্য ধর্মী পুতলা নাচ, ওজাপালি, খুলীয়া ভাউৰীয়া আদি অনুষ্ঠানৰ সংগমত অংকীয়া নাট সৃষ্টি কৰিছিল।

৪ **নং প্রশ্নৰ উত্তৰ ঃ** শংকৰদেৱৰ অনুবাদমূলক ৰচনা হ'ল — *ভাগৱতৰ ১ ম, ২য়, ৬ষ্ঠ, ৮ম, ১০ম, ১১শ, ১২শ স্কন্ধ* আৰু *উত্তৰাকাণ্ড ৰামায়ণ।*

৫ **নং প্রশ্নৰ উত্তৰ ঃ** প্রথমবাৰ তীর্থ ভ্রমনলৈ যাওতে বদৰিকাশ্রমত।

৬ **নং প্রশ্নৰ উত্তৰ ঃ** শংকৰদেৱে ৰচনা কৰা 'ভটিমা'বোৰ হৈছে এক প্রকাৰৰ প্রশস্তিমূলক গীত। গুৰুজনাই তিনিপ্রকাৰৰ ভটিমা ৰচনা কৰিছিল— দেৱ ভটিমা, ৰাজ ভটিমা আৰু নাট ভটিমা।

৭ **নং প্রশ্নৰ উত্তৰ ঃ** কর্মফলবাদ, জন্মান্তৰবাদ, জীৱনৰ প্রতি অনাশক্তি, ভক্তিমূলক অদ্বৈতবাদ, অৱতাৰবাদ আদি।

৮ **নং প্রশ্নৰ উত্তৰ ঃ** মধ্যযুগৰ শংকৰদেৱক আমি আজি হুবহু ৰূপত প্রাসংগিক বুলিব নোৱাৰোঁ; কিন্তু তেওঁৰ আদর্শ — সমমর্যাদা, অস্পৃশ্যতা দূৰীকৰণ, আধ্যাত্মিকতা, সংস্কৃতি চর্চা আদি সাম্প্রতিক সময়তো প্রাসংগিক।